**প্ৰধানমন্ত্ৰী মোদীয়ে সাক্ষাৎ কৰিলে নামিবিয়াৰ ৰাষ্ট্ৰপতিক (জুলাই 09, 2025)**

জুলাই 09, 2025

নামিবিয়ালৈ কৰা চৰকাৰী ভ্ৰমণৰ সময়তে প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উইণ্ডহ'কৰ ষ্টেট হাউছত নামিবিয়াৰ ৰাষ্ট্ৰপতি মহামহিম ডঃ নাটুম্বো নন্দী-দৈতৱাহক সাক্ষাৎ কৰে। ষ্টেট হাউছত উপস্থিত হোৱাৰ লগে লগে প্ৰধানমন্ত্ৰী মোদীক ৰাষ্ট্ৰপতি নন্দী-দৈতৱাহে উষ্ম আদৰণি জনোৱাৰ লগতে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। 27 বছৰৰ পাছত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে নামিবিয়া ভ্ৰমণ কৰিছে। চলিত বৰ্ষৰ মাৰ্চ মাহত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ৰাষ্ট্ৰপতি নন্দী-দৈতৱাহে এইবাৰেই প্ৰথম ভাৰতৰ প্ৰধানমন্ত্ৰীৰ সৈতে মিলিত হৈছে।

2. প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি নন্দী-দৈতৱাহক নামিবিয়াৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ আঁৰত থকা গৌৰৱময় ইতিহাসৰ কথাও স্মৰণ কৰে। প্ৰধানমন্ত্ৰীয়ে চলিত বছৰত বিয়োগ ঘটা নামিবিয়াৰ প্ৰতিষ্ঠাপক পিতৃ ড° ছেম নুজোমাৰ বিয়োগত শোক প্ৰকাশ কৰে। প্ৰতিৰক্ষা, সামুদ্ৰিক নিৰাপত্তা, ডিজিটেল প্ৰযুক্তি আৰু ইউপিআই, কৃষি, স্বাস্থ্য তথা ফাৰ্মা, শক্তি তথা জটিল খনিজ পদাৰ্থকে ধৰি আন বহু বিষয়ত দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ সন্দৰ্ভত দুয়োগৰাকী নেতাই আলোচনা কৰে।

3. দ্বিপাক্ষিক বাণিজ্য বৃদ্ধিৰ বিষয়ত সন্তুষ্টি প্ৰকাশ কৰি নেতাদ্বয়ে উল্লেখ কৰে যে বিষয়ত সম্পূৰ্ণ সম্ভাৱনা এতিয়াও বিকশিত কৰিবলগীয়া আছে। এই সন্দৰ্ভত তেওঁলোকে ভাৰত-SACU PTA সন্দৰ্ভত আলোচনা ক্ষিপ্ৰতাৰে আগবঢ়াই নিয়াৰ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ভাৰতে নামিবিয়াৰ বিশেষজ্ঞসকলৰ বাবে সামৰ্থ্য বিকাশ কাৰ্যসূচীৰ জৰিয়তে উন্নয়ন সম্পৰ্কীয় সহযোগিতাৰ প্ৰচেষ্টা বৃদ্ধি কৰিব আৰু নামিবিয়াত উৎপাদন প্ৰকল্প স্থাপনৰ ক্ষেত্ৰত অংশীদাৰিত্বৰ সন্ধান কৰিব। প্ৰধানমন্ত্ৰীয়ে কৃষি, তথ্য প্ৰযুক্তি, চাইবাৰ সুৰক্ষা, স্বাস্থ্যসেৱা, শিক্ষা, মহিলা সৱলীকৰণ আৰু শিশু কল্যাণৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী উন্নয়ন প্ৰকল্পৰ বাবে ভাৰতে সহায় আগবঢ়াব বুলি কয়। প্ৰধানমন্ত্ৰীয়ে কৃষিৰ বাবে ড্ৰোন ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত ভাৰতৰ অভিজ্ঞতাও বৰ্ণনা কৰে, যিটো প্ৰকল্পই নামিবিয়াকো উপকৃত কৰিব পাৰে।

4. ভাৰতত চিতা সংৰক্ষণ প্ৰকল্পত নামিবিয়াৰ সহায়ৰ বাবে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি নন্দী-দৈতৱাহক ধন্যবাদ জনায়। তেওঁ নামিবিয়াক আন্তঃৰাষ্ট্ৰীয় বিগ কেট এলায়েন্সত যোগদান কৰিবলৈ আমন্ত্ৰণ জনায়।

5. দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ নিহিত হৈ থকা বিশ্বব্যাপী বিষয়সমূহকলৈ আলোচনা কৰে। পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতৰ জনসাধাৰণলৈ নামিবিয়াই জনোৱা সমৰ্থনৰ বাবে প্ৰধানমন্ত্ৰীয়ে ধন্যবাদ

জ্ঞাপন কৰে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে বিশ্বজুৰি যুঁজখন শক্তিশালী কৰাৰ বাবে দুয়োগৰাকী নেতাই সন্মতি প্ৰকাশ কৰে। গ্ল’বেল ছাউথৰ কণ্ঠ শক্তিশালী কৰাৰ বাবেও তেওঁলোকে একেলগে কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

6. আলোচনাৰ অন্তত দুয়োগৰাকী নেতাই স্বাস্থ্য আৰু উদ্যোগীকৰণৰ ক্ষেত্ৰত দুটা বুজাবুজি চুক্তিৰ আদান-প্ৰদানৰ সাক্ষী হয়। ইয়াৰ উপৰিও ঘোষণা কৰা হয় যে নামিবিয়াই ক’লিচন ফৰ ডিজাষ্টাৰ ৰেজিলিয়েণ্ট ইনফ্ৰাষ্ট্ৰাকচাৰ এণ্ড গ্ল’বেল বায়’ফুৱেলছ এলায়েঞ্চত যোগদান কৰিছে আৰু ইউপিআই প্ৰযুক্তি গ্ৰহণৰ বাবে অনুজ্ঞাপত্ৰ চুক্তিত স্বাক্ষৰ কৰা প্ৰথমখন দেশ হিচাপে বিবেচিত হৈছে।

7. ৰাষ্ট্ৰপতি নন্দী-দৈতৱাহে প্ৰধানমন্ত্ৰীৰ সন্মানত এটা ৰাজভোজৰ আয়োজন কৰে। প্ৰধানমন্ত্ৰীয়ে তেওঁক পাৰস্পৰিক সুবিধাজনক সময়ত ভাৰত ভ্ৰমণৰ বাবে আমন্ত্ৰণ জনায়।

উইণ্ডহ’ক

জুলাই 09, 2025